

# দৰঙী কৃষ্টি সংস্কৃতিৰে মুখৰ বি বৰুৱা কলেজ

**নিয়মীয়া বাৰ্তা, ছিপাঝাৰ, ৮ জানুৱাৰী ঃ** সাহিত্য অকাডেমিৰ উদ্যোগত আৰু গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত আজি অনুষ্ঠিত এখন বিশেষ আলোচনা সত্ৰক কেন্দ্ৰ কৰি দৰঙীৰ লোকসংস্কৃতিৰে মুখৰ হৈ পৰে গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়। উল্লেখ্য যে ১০ পৃষ্ঠাত

# দৰঙী কৃষ্টি-সংস্কৃতিৰে মুখৰ বি বৰুৱা কলেজ

আলোচনা সত্ৰৰ বিষয় আছিল 'দৰঙৰ লোক-সংস্কৃতি আৰু লোক-সাহিত্য।' কাৰ্যসূচী অনুসৰি আৰম্ভণী অনুষ্ঠান পুৱা ১০ বজাত আৰম্ভ হয় বি বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ সত্যেন্দ্ৰ নাথ বৰ্মনৰ সভাপতিত্বত। বি বৰুৱা মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° বিৰিঞ্চি কলিতা আৰু আলোচনা সত্ৰখনৰ সমন্বয়ক মুকুট চন্দ্ৰ হাজৰিকাই আঁতধৰা আৰু সাহিত্য অকাডেমিৰ মাণ্ডলিক সম্পাদক দেবেন্দ্ৰ কুমাৰ দেবেশে আদৰণী ভাষণ দিয়া এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশীয়ে সম্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে লোকসংস্কৃতিৰ বিশিষ্ট সাধক তৰুণ আজাদ ডেকাই মূল ভাষণ দিয়ে। অসমীয়া বিভাগৰ মুৰব্বী ড° ইন্দুপ্ৰভা দেৱীয়ে শলাগ জ্ঞাপন কৰে। দিনৰ ১১.৪৫ বজাৰ পৰা মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক ড° বিজয় কুমাৰ শৰ্মাৰ সঞ্চালনাত আৰম্ভ হোৱা আলোচনা সত্ৰৰ প্ৰথম অংশত 'দৰঙৰ লোকনৃত্য' বিষয়ত ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথে 'দৰঙৰ লোকসাহিত্য' বিষয়ত দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° মুনমণি দেৱীয়ে আৰু 'দৰঙৰ ইতিহাস' বিষয়ত ছিপাঝাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক ড° দুলেন্দ্ৰ নাথে গৱেষণা-পত্ৰ পাঠ কৰে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাৰ সঞ্চালনাত দুপৰীয়া ২ বজাৰ পৰা আৰম্ভ হোৱা আলোচনা সত্ৰৰ ২য় তথা শেষ ভাগত শুকনান্নী ওজাপালি সম্পৰ্কত বক্তব্য ৰাখে ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰাম চন্দ্ৰ ডেকাই ইয়াৰ পিছত জয়ন্ত কুমাৰ নাথ ওজা আৰু সংগীসকল ক্ৰমে চক্ৰধৰ নাথ, উদ্ধৱ নাথ, পংকজ নাথ, মদন নাথ, ড্ৰোন ভূঞা, প্ৰিয়ংকা দেৱী, নেহা দেৱী, ববিতা দেৱী, শ্ৰুতি দেৱী আৰু মাধৱী দেৱীয়ে শুকনান্নী ওজাৰ লগতে দেওধনী নৃত্য পৰিৱেশন কৰে। নাঙেলী গীত সম্পৰ্কত ভাষণ দিয়ে তৰুণ আজাদ ডেকা আৰু পৰিৱেশন কৰে মুকুট চন্দ্ৰ হাজৰিকাৰ দল আৰু সংগীবৃন্দ ক্ৰমে ভূপেন হাজৰিকা, ৰুদ্ৰকান্ত নাথ, বুবুল চন্দ্ৰ নাথ, লক্ষীকান্ত নাথ, ভাৰ্গৱ নাথ, হৰি চন্দ্ৰ নাথ, নৃপেন ডেকা, জ্যোতি বৰুৱা, গণেশ নাথ আৰু গকুল শইকীয়াই। ইয়াৰ পিছতেই ব্যাস ওজাপালি সম্পৰ্কত বক্তব্য আগবঢ়ায় ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ মোহিনী গোস্বামীয়ে আৰু পৰিৱেশন কৰে তীৰ্থ নাথ ওজা আৰু সংগীবৃন্দ ক্ৰমে ভৱেন ডেকা, পদুম চন্দ্ৰ ডেকা, তপন বৰুৱা আৰু ধনেশ্বৰ নাথে। আনহাতে মাৰৈ বিজুলীবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক এম হাফিজ আলীয়ে 'চেৰাঢেক' সম্পৰ্কত বক্তব্য প্ৰদানৰ পিছত হাতিম আলী আৰু সংগীবৃন্দ হুছেইন আলী, ইদ্ৰিছ আলী আৰু ফৰিদ আলীৰ চেৰাঢেকৰ প্ৰদৰ্শনেৰে অনুষ্ঠানৰ সামৰণি পৰে।